# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 29-05-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

-------------------

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ভিডিঅ ' কনফাৰেন্সিংযোগে ৰাজ্যখনৰ জিলা আয়ুক্তসকলৰ সৈতে বৈঠকত মিলিত হয়। এই বৈঠকত তৃতীয় পৰ্যায়ৰ অৰুণোদয়ৰ ফলপ্ৰসূ ৰূপায়ণ আৰু এই অভিযানৰ অগ্ৰগতি সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে বিতংকৈ বুজ লয়। আলোচনা কালত এটি কলি দুটি পাত শীৰ্ষক নতুন আঁচনিখনৰ ৰূপায়ণৰ বিষয়েও স্থান লাভ কৰে। তদুপৰি বিভিন্ন জিলাত থকা চাহবাগিচাসমূহত স্থায়ী শ্ৰমিক আৰু অস্থায়ী শ্ৰমিকৰ পৰিসংখ্যা তথা চাহবাগিচাৰ কৰ্মচাৰীৰ সংখ্যা আৰু জিলা পৰ্যায়ত ৰূপায়ণ সমিতি গঠনকে ধৰি কেইবাটাও বিষয় মুখ্যমন্ত্ৰীয়ে আয়ুক্তসকলৰ সৈতে আলোচনা কৰে।

০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি বিকশিত কৃষি সংকল্প অভিযান আৰম্ভ হৈছে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ অধীনত সমগ্ৰ দেশজুৰি আজি আৰম্ভ হোৱা এই অভিযানত অসমৰ ২৬ খন জিলাৰ ৩ হাজাৰ ২৫০ খন গাঁও আৰু ৫ লাখৰো অধিক কৃষকক সামৰি লোৱা হৈছে।

ধেমাজি উন্নয়ন খণ্ডৰ অন্তৰ্গত বাটঘৰীয়া গাঁও পঞ্চায়তত আজি ৪০০ৰো অধিক কৃষকৰ উপস্থিতিত বিকশিত কৃষি সংকল্প অভিযানৰ শুভাৰম্ভণি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত কৃষক, কৃষি বিজ্ঞানী আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, কৃষি, পশু আৰু দুগ্ধ তথা মৎস্য বিভাগকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে মত বিনিময় কৰা হয়। অনুষ্ঠানত ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী ড০ গুঞ্জন গগৈয়ে খাৰিফ শস্যৰ শেহতীয়া বহনক্ষম প্ৰযুক্তি, জৈৱিক কৃষিকে ধৰি কৃষকৰ বাবে প্ৰয়োজনীয় বিভিন্ন তথ্য অৱগত কৰে। ১৩ দিনীয়া এই কাৰ্যসূচীত জিলাখনৰ ৫২টা স্থানৰ সকলো গাঁও পঞ্চায়তৰ অন্তৰ্গত ১০ হাজাৰৰো অধিক কৃষকক সামৰি লোৱা হৈছে।

কৃষি মন্ত্ৰী অতুল বৰাই আজি ডিব্ৰুগড় জিলাত এই অভিযানৰ শুভাৰম্ভ কৰে। এই উপলক্ষে মানকটা খেলপথাৰত আয়োজিত সভাত ভাষণ দি শ্ৰীবৰাই কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে কৃষি ক্ষেত্ৰৰ বিকাশৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ লগতে কৃষকৰ আয় বৃদ্ধিৰ লক্ষ্যৰে ৰূপায়ণ কৰা আঁচনিসমূহৰ বিষয়ে অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে কৃষকসকলক কৃষি ক্ষেত্ৰত আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। ডিব্ৰুগড়

জিলাত এই অভিযানত উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰায়েও অংশগ্ৰহণ কৰে। জিলাখনত এই অভিযানৰ অধীনত ১০ হাজাৰ ৪০০ কৃষকক সামৰি লোৱা হৈছে।

লখিমপুৰ জিলাতো এই অভিযানৰ অংশ হিচাপে জিলা প্ৰশাসনৰ বিষয়ববীয়া, কৃষি বিজ্ঞানী আৰু বিভাগীয় বিষয়াসকলে কৃষকৰ মাজত সজাগতা সৃষ্টিৰ বাবে প্ৰয়াস চলাইছে।

০০০০০

ৰাজ্য চৰকাৰে কন্যা সন্তানৰ বিদ্যায়তনিক শিক্ষাৰ লগতে তেওঁলোকক আত্মৰক্ষাৰ ক্ষেত্ৰত শক্তিশালী কৰি গঢ়ি তোলাৰ বাবে ৰাণী লক্ষ্মীবাই আত্মৰক্ষা প্ৰশিক্ষণৰ জৰিয়তে বৰ্তমানলৈকে ১০ লাখ ৫ হাজাৰ কন্যাক সমৰকলাৰ প্ৰশিক্ষণ প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা উল্লেখ কৰি কয়, যে এই প্ৰশিক্ষণ কাৰ্যসূচীৰ অধীনত ২০২৪-২৫ বৰ্ষত ১৩ হাজাৰ ৩৬৭ খন বিদ্যালয়ক সামৰি লোৱা হৈছে। ইয়াৰ অধীনত ষষ্ঠৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰীসকলক কাৰাটে, জুডো আৰু টাইকোৱাণ্ডোৰ সমৰকলাৰ তিনিমহীয়া প্ৰশিক্ষণ প্ৰদান কৰা হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছিকিমকে ধৰি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলক ভাৰতৰ প্ৰগতিৰ ক্ষেত্ৰত উজলি থকা অধ্যায় বুলি মন্তব্য কৰিছে। ছিকিমৰ পঞ্চদশ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত ভাৰ্চুৱেলি অংশ লৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে ছিকিমক বিশ্বমানৰ পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাত গুৰুত্ব দি আহিছে। এই ক্ষেত্ৰত নিৰ্মীয়মান চেৱোক ৰংপো ৰে'লপথে ছিকিমক দেশৰ ৰে'ল মানচিত্ৰত অন্তৰ্ভুক্ত কৰাৰ কথাও তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে যোৱা ১০ বছৰত ছিকিমত প্ৰায় ৪০০ কিলোমিটাৰ নতুন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হৈছে আৰু ১০০ কিলমিটাৰৰো অধিক গ্ৰামাঞ্চলৰ পথ নিৰ্মাণ কৰা হৈছে। অটল সেতুৱে ছিকিম আৰু দাৰ্জিলিঙৰ মাজৰ যোগাযোগ বহু পৰিমাণে উন্নত কৰিছে। প্ৰধানমন্ত্ৰীয়ে সম্পূৰ্ণ জৈৱিক ৰাজ্য হিচাপে খ্যাত ছিকিমৰ স্থানীয় বহু লোকক লাভান্বিত কৰিব পৰাকৈ শেহতীয়াকৈ জৈৱিক প্ৰক্ৰিয়াৰে মীন পালনত গুৰুত্ব দিয়াৰ কথাও উল্লেখ কৰে। শ্ৰীমোদীয়ে ভৱিষ্যতে ছিকিমক বিশ্বৰ দৰবাৰত সেউজ ৰাজ্যৰ আদৰ্শ হিচাপে তুলি ধৰিব পৰা যাব বুলি আশা ব্যক্ত কৰে। উত্তৰ পূৰ্বাঞ্চলত ক্ৰীড়া ক্ষেত্ৰত থকা প্ৰতিভাৰ কথা উল্লেখ কৰি তেওঁ কয় যে অঞ্চলটোৰ যুৱ প্ৰজন্মই এই ক্ষেত্ৰত বিকশিত ভাৰত গঢ়াত নেতৃত্ব বহন কৰিব।

০০০০০

অসম লোকসেৱা আয়োগৰ অধ্যক্ষ দেৱৰাজ উপাধ্যায়ে আজি শোণিতপুৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ত অহা ৮ জুনত হ'বলগীয়া সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত অংকুৰ ভৰালী, আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থ, প্ৰমুখ্যে জ্যেষ্ঠ বিষয়াসকল উপস্থিতি আয়োজিত বৈঠকত পৰীক্ষা কেন্দ্ৰৰ তত্বাৱধায়ক, দণ্ডাধীশ, পৰীক্ষা নিৰীক্ষক, আৰক্ষী বিভাগ, ডাক বিভাগ আৰু এ পি ডি চি এলৰ কৰ্মচাৰীসকলৰ ভূমিকা, দায়িত্ব আৰু সমন্বয় সন্দৰ্ভত বিশদ আলোচনা কৰা হয়। অধ্যক্ষ শ্ৰীউপাধ্যায়ে সকলো অংশীদাৰক নিষ্ঠাৰে নিজৰ কৰ্তব্য পালন কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষা শোণিতপুৰ জিলাৰ তিনিটা কেন্দ্ৰত অনুষ্ঠিত হ'ব।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে পৰহিলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত সেনাবাহিনীত কৰ্মসংস্থাপনৰ সুবিধা শীৰ্ষক এটা বিশেষ আলোচনা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত নৌ-বাহিনীৰ অৱসৰপ্ৰাপ্ত কমোডৰ কমলেশ চৌধুৰী আৰু স্থল সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন্দ্ৰ গোস্বামীয়ে অপাৰেচন সিন্দূৰত সেনাবাহিনীৰ সফলতাৰ আঁৰৰ কথাও প্ৰকাশ কৰিব। এই অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

ooooo

সমাপ্ত